**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১।  কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে।

২।  অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া ২০২৬ বৰ্ষৰ **পদ্ম সন্মান**সমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩।  ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন প্ৰতিষ্ঠান ইউ এন চি টি এ ডি য়ে ২০২৪ বৰ্ষৰ শেষৰ তিনিমাহত ভাৰতৰ ব্যৱসায় যথেষ্ট বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰিছে।

৪।  ভাৰতৰ বৈদেহি চৌধৰী আৰু ৰশ্মিকা ভামি দিপ্‌তিয়ে ন'নটাবুৰি টেনিচ প্ৰতিযোগিতাৰ মহিলা ডাবলছৰ খিতাপ অৰ্জন কৰিছে।

*আৰু*

৫।  মুম্বাইত কিছুসময়ৰ পাছত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত প্ৰতিযোগিতাৰ ফাইনেলত মুম্বাই ইণ্ডিয়ানছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে আৰু একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনৰ প্ৰায় আটাইবোৰ উগ্ৰপন্থী গোট শান্তি আলোচনাৰ বাবে আগবাঢ়ি আহিছে আৰু কেইবাটাও গোটে অস্ত্ৰ সম্বৰণো কৰিছে। ৰাজ্যখনত শান্তি বিৰাজ কৰিছে আৰু ইয়াৰ ফলস্বৰূপে ব্যৱসায় খণ্ডৰ উন্নয়ন ঘটিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্যৱসায়ী খণ্ডৰ উন্নয়নৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পৰ বাবে তিনি লাখ কোটি টকা যোগান ধৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি খণ্ড শক্তিশালী হৈ উঠিব।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজিৰ দিনটো ৰাজ্যখনৰ আৰক্ষীৰ বাবে এটা অতিকৈ গুৰুত্বপূৰ্ণ দিন আৰু বীৰ লাচিত বৰফুকনলৈ এয়া প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজ্য চৰকাৰে ডেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যায় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ

কয়, যে পূৰ্বৰ দশকসমূহৰ তুলনাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু অপৰাধৰ হাৰ ৫০ শতাংশৰো অধিক হ্ৰাস পাইছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত অংশ লৈ কয়, যে এই অত্যাধুনিক আৰক্ষী একাডমীৰ জৰিয়তে দেশৰ শ্ৰেষ্ঠ আৰক্ষী কৰ্মী সাজু হৈ উঠিব আৰু এই আৰক্ষী কৰ্মীসকল নতুন যুগৰ অপৰাধ নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ডেৰগাঁৱৰ অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে  আইজললৈ যায়। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'য়। অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে আছাম ৰাইফলছৰ চাউনী জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ পুৰণি বহু প্ৰতিক্ষিত দাবী পূৰণ হোৱাটো মিজোৰামৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে বিবেচিত হৈছে আৰু এই পদক্ষেপে মিজো জনসাধাৰণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিকে সূচাইছে। তেওঁ কয়, যে এই স্থানান্তৰ প্ৰশাসনিক পৰিৱৰ্তনতকৈ অধিক। এয়া মিজোৰামৰ জনসাধাৰণৰ প্ৰতি চৰকাৰৰ নিষ্ঠা আৰু সমৰ্পণৰ প্ৰতীক বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আজি নিশাটো আইজলৰ ৰাজভৱনত কটাব। শ্ৰী শ্বাহ পূৰ্বতে সন্ধিয়াৰ ভাগত গুৱাহাটীলৈ উভতি অহাৰ কথা আছিল।

তেওঁ কাইলৈ কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত অঞ্চলটোৰ আঠোখন ৰাজ্যৰ মুখমন্ত্ৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

ooooo

অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া ২০২৬ বৰ্ষৰ **পদ্ম সন্মান**সমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৩১ জুলাই মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন আৰু পৰামৰ্শ অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ মাধ্যমেৰে অনলাইন যোগেহে দাখিল কৰিব পৰা যাব। পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ ভিতৰত অন্যতম। ইয়াৰ জৰিয়তে কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক বিদ্যা, আসামৰিক সেৱা, ৰাজহুৱা সেৱা আৰু বাণিজ্য তথা উদ্যোগৰ দৰে ক্ষেত্ৰসমূহত লাভ কৰা অভূতপূৰ্ব আৰু বিশেষ সাফল্যৰ বাবে এই সন্মান প্ৰদান কৰা হয়। চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে চৰকাৰী সেৱক আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ কৰ্মচাৰীসকল এই সন্মানৰ বাবে যোগ্য বুলি বিবেচনা কৰা নহয়।

ooooo

ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন প্ৰতিষ্ঠান ইউ এন চি টি এ ডি য়ে ২০২৪ বৰ্ষৰ শেষৰ তিনিমাহত ভাৰতৰ ব্যৱসায় যথেষ্ট বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰিছে। ইউ এন চি টি এ ডিৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ২০২৪ বৰ্ষত বিশ্ব বাণিজ্য যথেষ্ট বৃদ্ধি পায় যদিও এই সময়ছোৱাত কেইবাখনো উন্নত ৰাষ্ট্ৰৰ ব্যৱসায় হ্ৰাস পায়। অৱশ্যে ভাৰতে এই সময়ছোৱাত গঢ় হাৰতকৈ উন্নত প্ৰদৰ্শন দেখুৱাবলৈ সমৰ্থ হয় আৰু দেশখনৰ আমদানি-ৰপ্তানি বৃদ্ধি পায়।

প্ৰতিষ্ঠানটোৰ প্ৰতিবেদন অনুসৰি ২০২৪ বৰ্ষৰ বিশ্ব বাণিজ্যৰ পৰিমাণ এক লাখ ২০ হাজাৰ কোটি ডলাৰ বৃদ্ধি পাই ৩৩ লাখ কোটি ডলাৰ হয়। সেৱা খণ্ডৰ ৯ শতাংশ আৰু পণ্য সামগ্ৰীৰ বাণিজ্য ২ শতাংশ বৃদ্ধি পোৱাৰ বাবেই ২০২৪ বৰ্ষত বিশ্ব বাণিজ্যৰ পৰিমাণ বৃদ্ধি পোৱা বুলি কোৱা হৈছে।

ooooo

কেন্দ্ৰীয় ৰে'ল, তথ্য আৰু সম্প্ৰচাৰ তথা ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, শ্ৰীপেৰাম্বুডুৰ আৰু মানালুৰত এহেজাৰ ১১২ কোটি টকা ব্যয় সাপেক্ষে দুটা বৈদ্যুতিক উদ্যোগ স্থাপন কৰা হ'ব। শ্ৰীপেৰাম্বুডুৰত জেটৱৰ্ক ইলেকট্ৰনিক চেণ্টাৰ উদ্বোধন কৰি অমৃত আঁচনিৰ অধীনত ৭৭ টা ৰে'ল ষ্টেচন পুনৰ নিৰ্মাণ কৰা হ'ব বুলি তেওঁ অৱগত কৰে। তেওঁ কয়, যে তামিলনাডুত ৭১৫ খন ৰে'লৱে অভাৰ ব্ৰীজ নিৰ্মাণৰ কাম চলি আছে আৰু ৮ খন বন্দে ভাৰত ৰে'ল চলি আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে সকলো ভাৰতীয় ভাষাৰ প্ৰতি চৰকাৰৰ সন্মান আছে আৰু এই ভাষাসমূহৰ প্ৰচাৰ আৰু সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। তামিলনাডুৰ ৰাজ্য চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ শলাগ লৈ তেওঁ কয়, যে ইলেকট্ৰনিক ৰপ্তানিৰ ক্ষেত্ৰত ৰাজ্যখনে বিশ্বৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ২০০ কোটি টকা ব্যয় সাপেক্ষে ১৫ একৰ মাটিত জেটৱৰ্ক ইলেকট্ৰনিক উদ্যোগ গঢ়ি তোলা হ'ব। তেওঁ কয়, যে আঠ মাহৰ ভিতৰত দশম আৰু দ্বাদশ শ্ৰেণী সম্পূৰ্ণ কৰা ৮ হাজাৰ লোকক কৰ্মসংস্থাপন দিয়া হ'ব। ইয়াত কমেও ৮০ শতাংশ মহিলাক কৰ্মসংস্থাপন দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইক ব্ৰিটেইনৰ কেন্দ্ৰীয় বেংকে ২০২৫ বৰ্ষৰ ডিজিটেল ট্ৰেন্সফ'ৰমেছন বঁটাৰ বাবে বাচনি কৰিছে। প্ৰৱাহ আৰু সাৰথি উদ্যমৰ বাবে আৰ বি আইলৈ এই বঁটা আগবঢ়োৱা হৈছে। আৰ বি আয়ে নিজাববীয়াকৈ এই এপ দুটা বিকশাই তুলিছে। পুৰস্কাৰ কমিটিয়ে এই ডিজিটেল উদ্যমৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস পোৱা বুলি উল্লেখ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ আসন্ন খণ্ডটিৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। তেওঁলোকে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। মন কী বাতৰ এই খণ্ডটিৰ বাবে ২৮ মাৰ্চলৈ প্ৰেৰণ কৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ বাতৰি বিভাগৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ভাৰতৰ বৈদেহি চৌধৰী আৰু ৰশ্মিকা ভামি দিপ্তিয়ে থাইলেণ্ডত অনুষ্ঠিত  ন'নটাবুৰি টেনিচ প্ৰতিযোগিতাৰ মহিলা ডাবলছৰ খিতাপ অৰ্জন কৰিছে। বৈদেহি আৰু ৰশ্মিকাৰ যুটীটোৱে আজি বিয়লি অনুষ্ঠিত ফাইনেলত থাইলেণ্ডৰ পুনিন আৰু জাপানৰ য়ুকি নাইটোৰ যুটীটোক ৬-৪, ৬-৩ পোনপটীয়া ছেটত পৰাস্ত কৰে।

ooooo

মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত কিছুসময়ৰ পাছত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত প্ৰতিযোগিতাৰ ফাইনেলত মুম্বাই ইণ্ডিয়ানছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৮ খন খেলৰ ৫ খনত জয় লাভ কৰি মেগ লেনিং নেতৃত্বাধীন ডেলহি কেপিটেলছে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰি ফাইনেলত স্থান নিশ্চিত কৰে। দলটোৱে এইবাৰ একেৰাহে তৃতীয়বাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে দলটোৱে এতিয়ালৈকে মহিলা প্ৰিমিয়াৰ লীগৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই।

ooooo

সমাপ্ত